بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**যুক্তৰাজ্য ২০২৫ চনৰ বাৰ্ষিক জলছা উপলক্ষে ঐশ্বৰিক কৃপা তথা কিছুমান নতুন আহমদী আৰু অআহমদী অতিথি সকলৰ প্ৰভান্বিত হোৱাৰ বৰ্ণনা**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ১ আগষ্ট ২০২৫ চনত মছজিদ মোবাৰক ইছলামাবাদ ইউ.কেত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ۔ اَلۡحَمۡدُ لِلّٰہِ رَبِّ الۡعٰلَمِیۡنَ۔ الرَّحۡمٰنِ الرَّحِیۡمِ۔ مٰلِکِ یَوۡمِ الدِّیۡنِ۔ اِیَّاکَ نَعۡبُدُ وَ اِیَّاکَ نَسۡتَعِیۡنُ۔ اِہۡدِنَا الصِّرَاطَ الۡمُسۡتَقِیۡمَ۔ صِرَاطَ الَّذِیۡنَ اَنۡعَمۡتَ عَلَیۡہِمۡ ۬ۙ غَیۡرِ الۡمَغۡضُوۡبِ عَلَیۡہِمۡ وَ لَا الضَّآلِّیۡنَ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে, যোৱা ৰবিবাৰ দিনা আল্লাহৰ কৃপাত যুক্তৰাজ্যৰ বাৰ্ষিক জলছা ইউকেৰ অন্ত পৰিছে। এই তিনি দিন বৰ কল্যাণময় আৰু আল্লাহ তা'লাৰ ফজল প্ৰদৰ্শন কৰাৰ দিন আছিল। আল্লাহ তা'লাৰ অশেষ অনুগ্ৰহ যে সেইজনাই আমাক এই তিনিটা দিনত অসংখ্য কৃপা বৰ্ষণ কৰিছে তথা জলছা সকলো ফালৰ পৰা সাফল্যমণ্ডিত কৰি জলছাৰ সামৰণি কৰিলে। আল্লাহ তা'লাৰ কৃপাত বতৰ ভাল আছিল আৰু সকলোবোৰ কাৰ্যসূচী ভালদৰে অন্ত পৰে। জলছাৰ মূল কাৰ্যসূচী অৰ্থাৎ ভাষণ আৰু অন্যান্য কাৰ্যসূচীৰ বাহিৰেও প্ৰচাৰ আৰু তথ্যৰ ক্ষেত্ৰত বিভিন্ন বিভাগে আয়োজন কৰা প্ৰদৰ্শনী সমূহে অমুছলমান সকলৰ ওপৰত ভাল প্ৰভাৱ পেলাইছিল। আহমদী আৰু অ-আহমদী সকলে বেছিভাগ ক্ষেত্ৰতে জ্ঞান বৃদ্ধি কৰাৰ সুযোগ পাইছিল।

এইদৰে এম.টি.এ য়ে জলছাৰ কাৰ্যসূচীৰ মাজৰ সময়ছোৱাত বিভিন্ন জ্ঞানমূলক কাৰ্যসূচী দেখুৱাইছে তথা বিভিন্ন তথ্যমূলক কাৰ্যসূচী দেখুৱাইছে। ৰাইজৰ ওপৰত ইয়াৰ খুব ভাল প্ৰভাৱ পৰিছে। আন আন দেশত থকা আহমদীসকলেও ইয়াক বৰ পছন্দ কৰিছে যে আমিও ইয়াৰ জৰিয়তে বহু নতুন কথা জানিব পাৰিছো। এইদৰে এম.টি.এ এইবাৰ বিশ্বৰ ৫৬ খন দেশৰ ১১৯ টা কেন্দ্ৰৰ সৈতে সংযোগ স্থাপন কৰিছিল। এই সংযোগৰ জৰিয়তে আল্লাহ তা'লাই তেওঁলোকক এনেদৰে জলছা শুনিবলৈ সুযোগ দিছিল যে তেওঁলোকে

জলছাত নিজকে উপস্থিত বুলি অনুভৱ কৰিছিল। গতিকে এইটো আল্লাহ তা'লাৰ এটা বহুত ডাঙৰ অনুগ্ৰহ যি সেইজনাই জামাত আহমদীয়াক প্ৰদান কৰিছে, এই নতুন আৱিষ্কাৰৰ জৰিয়তে সমগ্ৰ বিশ্বৰ আহমদী সকলক একত্ৰিত কৰিছে, এটা উম্মত হোৱাৰ এই দৃশ্য পৃথিৱীৰ আন কতো দেখিবলৈ পোৱা নাযায়।

এইবাৰ সাধাৰণভাৱে আয়োজনো যোৱা বছৰসমূহৰ তুলনাত বহুত ভাল আছিল বুলি অধিকাংশ লোকে কৈছে। ইয়াত অংশগ্ৰহণ কৰা সকলে আৰু টি.ভিত বিভিন্ন দেশত কাৰ্যসূচী চোৱা লোকসকলেও একেষাৰ কথাই কৈছে। এটা বিশেষ পৰিৱেশ সৃষ্টি হৈছিল। এইবোৰ আছিল আল্লাহ তা'লাৰ বিশেষ কৃপা যিটো প্ৰত্যেকজনে অসাধাৰণভাৱে অনুভৱ কৰি আছিল যে জলছাত আল্লাহ তা'লাৰ বিশেষ কৃপা বৰ্ষিত হৈ আছে।

আল্লাহ তা'লাই কৈছে যে তোমালোকে মোৰ ধন্যবাদ জ্ঞাপন কৰা ভৃত্য হোৱা, যেতিয়া তোমালোকে মোৰ ধন্যবাদ জ্ঞাপন কৰিবা তেতিয়া মই তোমালোকক নিজৰ কৃপাৰ দ্বাৰা অধিক ফজল বৰ্ষণ কৰিম। গতিকে আল্লাহ তা'লাৰ উত্তৰাধিকাৰী হ'বলৈ হলে সেইজনাৰ কৃতজ্ঞতা জ্ঞাপন কৰাটো প্ৰয়োজনীয়। আল্লাহ তা'লাই নিজৰ সন্দৰ্ভত এইটো কৈছে যে আল্লাহ তা'লা নিশ্চয় শলাগ লওঁতা আৰু সৰ্বজ্ঞানী। যেতিয়া আল্লাহ তা'লাৰ বাবে কৃতজ্ঞতা শব্দটো ব্যৱহাৰ হয় এইটো সন্মানৰ অৰ্থ হিচাপে ব্যৱহাৰ কৰা হয়। আল্লাহ তা'লাই কৃতজ্ঞতা জ্ঞাপন কৰা সকলক সন্মান কৰে। এই সন্মানৰ ফলস্বৰূপ আল্লাহ তা'লাই তেওঁলোকক আৰু অধিক সন্মান বৃদ্ধি কৰে। এইবোৰ কেৱল দাবী হিচাপে সীমিত থাকিব নালাগে, বৰঞ্চ কৃতজ্ঞতা জ্ঞাপন কৰাৰ এটা উৎসাহ সৃষ্টি হোৱা উচিত আৰু এই উৎসাহ আল্লাহ তা'লাই নিজৰ কৰুণাৰ ফলত জামাতত বহু পৰিমাণে সৃষ্টি কৰিছে। আল্লাহ তা'লাই এই উৎসাহ বৃদ্ধি কৰক। জলছাত অংশগ্ৰহণ কৰা সকলে এই কথাও মনত ৰখা উচিত যে যেতিয়া তেওঁলোকে আল্লাহ তা'লাৰ কৃতজ্ঞতা জ্ঞাপন কৰিব তেতিয়া কাম কৰা কৰ্মকৰ্তা সকলৰো ধন্যবাদ জ্ঞাপন কৰিব। এই কথাৰ ধন্যবাদ জ্ঞাপন কৰিব যে কেনেদৰে খোদা তা'লাই কৰ্মকৰ্তাৰ কাম-কাজ সহজ কৰি তুলিছে, অসুবিধা সমূহ আঁতৰ কৰিছে, সকলোবোৰ কামত উন্নতি প্ৰদান কৰিছে, তথা তেওঁলোকক অধিক পৰিমাণে লোকসকলৰ সেৱা কৰিবলৈ সক্ষম কৰি তুলিছে; ইয়াৰ ফলতে জলছাত অংশগ্ৰহণ কৰা সকলৰ বাবে উন্নত ধৰণৰ সুবিধা প্ৰদান হৈছে।

এই বছৰ আল্লাহ তা'লাৰ কৃপাত ৫০ হাজাৰ লোক উপস্থিত আছিল। গতিকে এই ৫০ হাজাৰ উপস্থিত থকা সকলে আল্লাহ তা'লাৰ কৃতজ্ঞতা জ্ঞাপন কৰা উচিত যে সেইজনাই কৰ্মকৰ্তা সকলৰ জৰিয়তে কাম-কাজ সহজ কৰি তুলিছে, যাৰ ফলত উপস্থিত থকা সকলৰ ট্ৰান্সপোৰ্ট, খোৱা-লোৱা আৰু জলছা শুনাত কোনো ধৰণৰ অসুবিধাৰ সন্মুখীন হ'বলগীয়া হোৱা নাই। তেওঁলোকৰ বাবেই বিভিন্ন প্ৰয়োজনীয়তা পূৰণ হ'ব পাৰিছে। এই সকলোবোৰ কাম আল্লাহ তা'লাৰ কৃপাৰ ফলতহে হৈছে, ইয়াত আমাৰ কোনো উৎকৃষ্টতা নাই বৰঞ্চ আল্লাহৰ কৃপাহে। কৰ্মকৰ্তাসকলে ইয়াৰ বাবে কৃতজ্ঞ হলেও তেওঁলোকে আল্লাহ তা'লাৰ কৃতজ্ঞতা জ্ঞাপন কৰা উচিত যে সেইজনাই আমাৰ কাম সফল কৰি তুলিছে, ইয়াত অংশগ্ৰহণ কৰা সকলেও ধন্যবাদ জ্ঞাপন কৰা উচিত যে আল্লাহ তা'লাই তেওঁলোকৰ বাবে কেনেকৈ সা-সুবিধাৰ ব্যৱস্থা কৰিছে যে অসংখ্য লোক যিসকল বিভিন্ন শ্ৰেণীৰ আৰু শিক্ষাৰ দিশত বিভিন্ন মানদণ্ডৰ সৈতে সম্পৰ্কিত আছিল তেওঁলোকে দিনে নিশা আল্লাহ তা'লাৰ সন্তুষ্টি অৰ্জনাৰ্থে স্বেচ্ছাসেৱক হিচাপে নিজৰ কৰ্তব্য পালন কৰিছে। এইদৰে কেনেডা আৰু অষ্ট্ৰেলিয়াৰ পৰাও বহু সংখ্যাত খুদ্দাম আহিছিল। তেওঁলোকে জলছা আৰম্ভ হোৱাৰ আগতে আহি জলছাৰ কামত সহায় কৰিছে, জলছাৰ আগতে আৰু জলছাৰ পিছতেও সহায়

আগবঢ়াইছে। আল্লাহ তা'লা তেওঁলোকক উত্তম পুৰস্কাৰেৰ পুৰস্কৃত কৰক।

এটা হাদীছৰ আলোকত হুজুৰ আনোৱাৰ (আইঃ)য়ে মনোযোগ আকৰ্ষণ কৰিছে যে আল্লাহ তা'লাই নিজৰ বান্দাৰ সেইবোৰ কামত যিবোৰ খোদাৰ স্বাৰ্থত কৰা হয় ইমানে গুৰুত্ব দি কয় যে তেওঁলোকৰ ধন্যবাদ জ্ঞাপন কৰা, আমিও এইটো বিচাৰো যে আমি আল্লাহ তা'লাৰ বান্দাৰ কৃতজ্ঞতা জ্ঞাপন কৰো যাতে এনেকুৱা পৰিৱেশ সৃষ্টি হ'ব পাৰে যে চাৰিওফালৰ পৰা সম্পূৰ্ণৰূপে কৃতজ্ঞতা জ্ঞাপন কৰা পৰিৱেশ সৃষ্টি হয়, এই কথাটো সদায় মনত ৰখা উচিত।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে ইয়াত উপস্থিত হোৱা অতিথি সকলৰ পৰা যি প্ৰতিক্ৰিয়া মই পাইছো, কেইবাজনৰ প্ৰতিক্ৰিয়া এনেকুৱা যে আমি বিভিন্ন বিভাগৰ কৰ্মকৰ্তাক সুধিছো যে আপুনি কি কাম কৰে, তেওঁলোকৰ কাম চাই আমি ধাৰণা কৰিছিলোঁ যে তেওঁলোক শ্ৰমিক হয়। কোনোবাই কয় যে মই ফাৰ্মৰ অফিচাৰ হওঁ, কোনোবাই কয় যে মই শিক্ষক হওঁ, কোনোবাই কয় যে মই পি.এচ.ডিৰ ছাত্ৰ, কোনোবাই কয় যে মই পি.এচ.ডি ডিগ্ৰী লাভ কৰিছোঁ। এনেকুৱা উৎসাহ সৃষ্টি হোৱা লোক ইয়াতে উপস্থিত হৈছে যিসকলে হজৰত মছীহ মাওউদ (আঃ)ৰ অতিথি সকলৰ সেৱাৰ বাবে আৰু আল্লাহৰ সন্তুষ্টি অৰ্জন কৰাৰ বাবে নিজকে উত্থাপন কৰিছে। ইয়াতে আন আন লোকসকলো উপস্থিত আছিল, বিভিন্ন দেশৰ পৰা এনেকুৱা লোক উপস্থিত হৈছিল যিসকলৰ জামাতৰ সৈতে প্ৰাৰম্ভিক পৰিচয় আছিল, তেওঁলোকে এইটো চাবলৈ আহে যে তেওঁলোকে যি কয় নিশ্চিতভাৱে সেয়া কাৰ্যকৰী হয় নে? বিভিন্ন বিভাগত কাম কৰা কৰ্মকৰ্তাক যেতিয়া দেখিবলৈ পায় যে তেওঁলোকে সাধাৰণ শ্ৰমিকৰ নিচিনাই কাম কৰি আছে সেই দৃশ্য চাই তেওঁলোকৰ মাজত বহু পৰিমাণে প্ৰভাৱ পৰে, এইটো হৈছে নিস্তব্ধ প্ৰচাৰ। তেওঁলোকে এই কথাটো প্ৰকাশ কৰিও দিয়ে। এইদৰে নতুন যিসকল জামাতত অন্তৰ্ভুক্ত হ'বলগীয়া বা সেইসকল যিসকলে প্ৰথমবাৰ জলছাত অংশগ্ৰহণ কৰিছে, তেওঁলোকৰো উৎসাহ বৃদ্ধি পায়। তেওঁলোকে দেখিবলৈ পায় যে কিমান সন্মানৰ সৈতে অতিথিসকলৰ আতিথ্য কৰি আছে, কিমান সুন্দৰভাৱে লোকসকলৰ সৈতে আচৰণ কৰি আছে। এইবোৰ হৈছে অতি গুৰুত্বপূৰ্ণ; ইয়াৰ বাবে আমি আল্লাহ তা'লাৰ কৃতজ্ঞতা জ্ঞাপন কৰা উচিত।

হুজুৰ আনোৱাৰ (আইঃ)য়ে এই উপলক্ষে বিভিন্ন দেশৰ সৈতে সম্পৰ্ক স্থাপন ৰখা অ-আহমদী অতিথি আৰু কিছুমান নতুন আহমদী যিসকল বাৰ্ষিক জলছাত অংশগ্ৰহণ কৰিছে তেওঁলোকৰ কথা উল্লেখ কৰি খোদাৰ কৃপাত জলছাৰ কল্যাণৰ ফলত তেওঁলোকৰ ওপৰত হোৱা পুণ্যৰ প্ৰভাৱৰ কথা উল্লেখ কৰি ঈমান উদ্দীপক ঘটনা বৰ্ণনা কৰে।

ৰুডাৰ্ক আয়েৰলেণ্ডৰ পুলিছ ফোৰ্চৰ এচিচটেণ্ট কমিচনাৰে কয় যে জলছাৰ দিনবোৰত মই যি দেখা পাইছো সেয়া নিশ্চিতৰূপে দৃষ্টান্তহীন বস্তু। ব্যৱস্থা আৰু অনুশাসনৰ এটা অমূল্য শিক্ষা আছিল। ১০ হাজাৰ স্বেচ্ছাসেৱকৰ উপস্থিতি এটা অদ্ভুত অলৌকিকতা আছিল। সকলোৱে অতুলনীয় সমৰ্পনেৰে সুন্দৰভাৱে সেৱা আগবঢ়াইছে।

বেলজিয়ামৰ এজন অতিথি যিজন মানৱ অধিকাৰ ব্যৱস্থাৰ এচ.ডব্লিউ এফৰ প্ৰতিনিধি আছিল তেওঁ কয় যে ইমান বৃহৎ পৰিসৰৰ সমাৱেশৰ আয়োজন কৰাটো, য'ত কেইবাদিনলৈকে হাজাৰ হাজাৰ লোক অংশগ্ৰহণ কৰিছে সেইটো অসাধাৰণ সফলতা হয়। মোক কেৱল পৰিচালনাৰ দক্ষতাই নহয়, ইয়াৰ আঁৰৰ নৈতিক ভেঁটিটোৱে মোক আপ্লুত কৰি তুলিছে।

বুলগাৰিয়াৰ এজন নতুন আহমদীয়ে কয় যে এই কল্যাণময় দিনবোৰত মই অতুলনীয় আধ্যাত্মিক বাতাবৰণ

অনুভৱ কৰিছোঁ, ইয়াৰ অংশ হোৱাৰ সৌভাগ্য লাভ কৰিছোঁ। মোৰ অভিজ্ঞতা অত্যন্ত উৎকৃষ্ট আৰু মনোমোহা আছিল বিশেষকৈ যি সূক্ষ্ম যত্নৰে অতিথিসকলৰ সুবিধা আৰু আৰামৰ খেয়াল ৰখা হৈছিল সেইটো লৈ মই অতিশয় আপ্লুত হৈছো।

জাৰ্জিয়াৰ এজন অতিথিয়ে কয় যে জলছাৰ শান্তিময় পৰিৱেশ, ভাষণ আৰু খলিফাৰ বক্তব্যই আধ্যাত্মিক দিশত আগবঢ়াই নিয়াত বহু ডাঙৰ ভূমিকা পালন কৰে। ছুডানৰ এগৰাকী আৰবী মহিলা উপস্থিত হৈ কয় যে বাৰ্ষিক জলছা এটা ডাঙৰ ঘৰৰ দৰে যিয়ে সম্পূৰ্ণ পৰিয়ালক নিজৰ অন্তৰ্ভুক্ত কৰি লয়।

বিভিন্ন ঈমান উদ্দীপক ঘটনা বৰ্ণনা কৰাৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে আল্লাহ তা'লাই জলছাত অংশগ্ৰহণ কৰা সকলো অতিথি সকলৰ অন্তৰ মুকলি কৰক, তেওঁলোকে আহমদীয়ত আৰু প্ৰকৃত ইছলামক বুজাৰ তথা যুগৰ ইমামক মানি লোৱাৰ সৌভাগ্য দান কৰক। নতুন আহমদীসকলৰ ঈমান আৰু নিষ্ঠা বৃদ্ধি কৰক। এইদৰে প্ৰতিজন আহমদী যিসকলে জলছাৰ কাৰ্যসূচী দেখিছে, শুনিছে ইয়াৰ ওপৰত পৰিচালিত হোৱাৰ সৌভাগ্য দান কৰক; সেয়া নিজৰ জীৱনৰ অংশ বনোৱাৰ সৌভাগ্য দান কৰক। তেওঁলোকে যেন ধৰ্মক পাৰ্থিৱ জগতৰ ওপৰত প্ৰাধান্য দিব পাৰে এই উৎসাহ যেন সদায় প্ৰতিষ্ঠিত থাকে। জলছাৰ কল্যাণৰ পৰা যেন প্ৰতিজন আহমদীয়ে সদায় লাভৱান্বিত হ'ব পাৰে তথা নিজৰ নৈতিক আৰু পৰিৱেশৰ সংস্কাৰৰ বাবে পৰিপূৰ্ণভাৱে চেষ্টা কৰে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে সংবাদ মাধ্যম আদিৰ প্ৰতিবেদনো সংক্ষিপ্তভাৱে বৰ্ণনা কৰে। জামাতৰ সংবাদ আৰু মিডিয়া বিভাগৰ অধীনত প্ৰায় ৪৯ ৱেব ছাইট, ছপা মাধ্যম আৰু পত্ৰিকাত ১৭ টা প্ৰবন্ধ ৰেডিঅ ত ২৫ টা অনুষ্ঠান তথা টি.ভি আৰু ছ'চিয়েল মিডিয়াৰ জৰিয়তে আল্লাহ তা'লাৰ কৃপাত ১০০ মিলিয়ন লোকলৈকে পয়গাম পাইছে।

এম.টি.এ আফ্ৰিকাৰ বিভিন্ন চেনেলত বাৰ্ষিক জলছা সম্প্ৰচাৰিত হোৱাৰ পিছত ৫০ তকৈ অধিক লোক দীক্ষা গ্ৰহণ কৰে। বাৰ্ষিক জলছা ২২ নেচনাল আৰু ৰেজিন্যাল টি.ভি চেনেলত ৩০৪ ঘণ্টা সম্প্ৰচাৰিত হয় আৰু ২৫ মিলিয়ন লোকলৈকে পয়গাম গৈ পায়। মিডিয়া আউটলেট আৰু বিভিন্ন মাধ্যমৰ জৰিয়তে ৪৭ খন অনুষ্ঠান সম্প্ৰচাৰিত কৰা হয় আৰু ইয়াৰ জৰিয়তে প্ৰায় ১৫০ মিলিয়ন লোকে পয়গাম পায়।

শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে মাননীয় আব্দুল কৰিম জামাল জুদাহ চাহাব গাজা পেলেষ্টাইনৰ শ্বহীদৰ কথা উল্লেখ কৰি নামাজে জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে আৰু প্ৰয়াত জনৰ ক্ষমা আৰু উন্নীত মৰ্যাদাৰ বাবে দোৱা কৰে।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ۔ عِبَادَ اللّٰهِ رَحِمَكُمُ اللّٰهُ اِنَّ اللّٰهَ يَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

# BOOK POST (PRINTED MATTER)

TO,

.............................................................................................................................

.............................................................................................................................

.............................................................................................................................

NASHOR-O ISHAAT QADIAN, DIST GURDASPUR,143516 PUNJAB